**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নিশা নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি ৰাজ্যৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ নতুন দিল্লীৰ চৰকাৰী বাসভৱনত প্ৰায় আধা ঘণ্টা সময় বৈঠকত মিলিত হোৱাৰ সময়ত মুখ্যমন্ত্ৰী ড০ শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুক কেন্দ্ৰ কৰি ৰাজ্যত উদ্ভৱ হোৱা পৰিস্থিতি, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আদি প্ৰসংগ উত্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই বৈঠকৰ কথা সামাজিক মাধ্যমযোগে ৰাজহুৱা কৰি কয়, যে অসমৰ বিকাশৰ গতি শক্তিশালী কৰাৰ বাবে শ্ৰীশ্বাহে নিৰ্দেশনা আৰু নিৰলস চেষ্টা চলাই আহিছে। ইপিনে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি নতুন দিল্লীত ৰে’ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে ৰাজ্যখনত ৰে’ল সেৱা সম্প্ৰসাৰণৰ লগতে কেইবাটাও বিষয় সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ যাতায়াত ব্যৱস্থা অধিক সুশৃংখলিত কৰাৰ বাবে ৰে’ল সেৱাৰ বিভিন্ন দিশত নতুনত্বৰ পোষকতা কৰে। এই বৈঠকত অসমলৈ চলাচল কৰা তিনিখন নতুন অমৃত ভাৰত ৰে’লৰ যাত্ৰা সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুৰ মাইগুফুলনেছ চিটীলৈ নতুন ৰে’ল পথ নিৰ্মাণৰ কাম ক্ষিপ্ৰতাৰে কৰা সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয়। অসমৰ মাজেৰে চলাচল কৰা গুৰুত্বপূৰ্ণ ৰে’লসমূহৰ ষ্ট’পেজৰ সংখ্যা বৃদ্ধি কৰিবলৈও মুখ্যমন্ত্ৰীয়ে ৰে’ল মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। ৰে’ল মন্ত্ৰীগৰাকীয়ে এই বিষযসমূহ বিবেচনা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়াৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে সদৰি কৰিছে।

উল্লেখযোগ্য যোৱা শনিবাৰে বিয়লি নতুন দিল্লীলৈ ৰাওনা হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি বিয়লি অসমলৈ ঘূৰি অহাৰ কথা।

০০০০০০

ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ৰ আজি ৭৯ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হ’ব। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা কাৰ্যসূচী অনুসৰি আজি পুৱা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে পতাকা উত্তোলন কৰে। আজিৰ অনুষ্ঠানটোত প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীক সম্বৰ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনী উন্মোচন কৰা হ’ব। সন্ধিয়া ডাঃ মৃগাংক শেখৰ চলিহাৰ প্ৰযোজনাত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলে শিল্পী জুবিন গাৰ্গৰ জীৱনভিত্তিক এখন নাটক পৰিৱেশন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিষ্ঠা দিৱস উপলক্ষে চিকিৎসা মহাবিদ্যালয়খনৰ সৈতে জড়িত সকলোকে শুভেচ্ছা জনাইছে।

০০০০০০

ড’নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি আই আই টি গুৱাহাটীত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ক্লাষ্টাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। তেওঁ লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে ৰাজ্যত ৬৫ খন নতুন উচ্চতৰ মাধ্যমিক বিদ্যালয় নিৰ্মাণৰ আধাৰশিলাও স্থাপন কৰে। উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ক্লাষ্টাৰে উত্তৰ পূৰ্বাঞ্চলৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ গৱেষণা, উদ্ভাৱন আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব বুলি শ্ৰীসিন্ধিয়াই তেওঁৰ ভাষণত উল্লেখ কৰে। তেওঁ লগতে সমগ্ৰ উত্তৰ-পূবত বিজ্ঞান মানসিকতা প্ৰসাৰৰ ক্ষেত্ৰতো এই কেন্দ্ৰই গুৰুত্বপূৰ্ণ পদক্ষেপ ল’ব বুলি মত প্ৰকাশ কৰে।

**ৰাইট**

শ্ৰীসিন্ধিয়াই এই অনুষ্ঠানতে আই আই টি গুৱাহাটীত প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয়, যে উত্তৰ-পূৰ্বাঞ্চল বিজ্ঞান আৰু প্ৰযুক্তি ক্লাষ্টাৰৰ জৰিয়তে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ গ্ৰাম্য অৰ্থনীতি আগুৱাই নিয়াৰ ক্ষেত্ৰত যথেষ্ট সহায় হ'ব। শ্ৰীসিন্ধিয়াই ইয়াৰ পাছত ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত আয়োজিত এখন সভাত অংশ লৈ ইয়াৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে ৰাজ্যৰ দুখন ঔদ্যোগিক উদ্যান আৰু উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ৰ অধীনত আন চাৰিটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে অসমৰ ৫৫খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰক ৪৬৫ কোটি টকা প্ৰদানৰ কথা ঘোষণা কৰে।

oooooo

স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলক সকাহ দিয়াৰ উদ্দেশ্যে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ উদ্যোগত আজি মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত এই উপলক্ষে আজি বিয়লি আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই আঁচনিখন মুকলি কৰিব। অনুষ্ঠানত দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকিব। এই আঁচনিৰ জৰিয়তে চাকৰিৰ সন্ধানত থকা যুৱক-যুৱতীসকলক বিভিন্ন পৰীক্ষাৰ প্ৰস্তুতি আদিৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ এবছৰলৈ প্ৰতিমাহে দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানুষ্ঠান অথবা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলে এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। শিক্ষাৰ্থীসকল অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

oooooo

সমাপ্ত